# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 11-12-2025 **Time :** 1100 Hrs.

0000000000

অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ বিশেষ তদন্তকাৰী গোটে জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত কাইলৈ আদালতত অভিযোগনামা দাখিল কৰিব। অভিযোগনামা দাখিলৰ নিৰ্ধাৰিত সময়সীমা ১৮ ডিচেম্বৰত উকলি যাব যদিও ছদিন পূৰ্বেই অভিযোগনামা দাখিল কৰা হ'ব। বিশেষ তদন্তকাৰী গোটৰ মুৰব্বী তথা বিশেষ সঞ্চালক প্ৰধান মুন্না প্ৰসাদ গুপ্তাই ইতিমধ্যে কাইলৈ অভিযোগনামা দাখিল কৰা হ'ব বুলি আনুষ্ঠানিকভাৱে প্ৰকাশ কৰিছে। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত চি আই ডিত ৰুজু হোৱা ১৮/২০২৫ নম্বৰৰ গোচৰটোৰহে অভিযোগনামা আদালতত দাখিল কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। এই ঘটনা সন্দৰ্ভত ৰুজু হোৱা ১৯/২০২৫ নম্বৰৰ দ্বিতীয়টো গোচৰৰ তদন্ত অব্যাহত থাকিব বুলি শ্ৰীগুপ্তাই প্ৰকাশ কৰিছে। তেওঁ কয়, যে ছিংগাপুৰত নৰ্থ-ইষ্ট ফেষ্টিভেলৰ আয়োজন কৰা শ্যামকানু মহন্তৰ বিত্তীয় অনিয়মৰ অভিযোগ সন্দৰ্ভত সম্পূৰ্ণ পৃথককৈ তদন্ত কৰা হৈছে আৰু ইয়াৰ সৈতে মৃত্যুৰ গোচৰটোৰ সম্পৰ্ক নাই। অভিযোগনামা দাখিল সন্দৰ্ভত জ্যেষ্ঠ অধিবক্তা বিজন মহাজনে এইদৰে মত প্ৰকাশ কৰে। –

বাইট

0000000

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত আজি ডিব্ৰুগড়ৰ ফুলবাগানৰ পুৰণি চৰকাৰী উচ্চ মাধ্যমিক বালক বিদ্যালয় খেলপথাৰত চৰকাৰী আৰু প্ৰাদেশিকীকৃত বিদ্যালয়ৰ নৱম শ্ৰেণীৰ শিক্ষাৰ্থীৰ মাজত চাইকেল বিতৰণ কৰিব। এই আঁচনিৰ দ্বাৰা ৩ লাখ ১০ হাজাৰৰো অধিক শিক্ষাৰ্থী লাভান্বিত হ'ব। অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ লগতে কেইবাগৰাকীও মন্ত্ৰী, বিধায়ক উপস্থিত থাকিব।

মুখ্যমন্ত্ৰীয়ে কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সমাগত অসম ভ্ৰমণ সন্দৰ্ভত ডিব্ৰুগড়ত ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও মন্ত্ৰী, বিধায়ক তথা শীৰ্ষ বিষয়াৰ সৈতে যাৱতীয় প্ৰস্তুতি সন্দৰ্ভত আলোচনাত মিলিত হয়। ড° শৰ্মাই লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২১ ডিচেম্বৰত নামৰূপত অংশ ল'বলগীয়া জনসভাৰ স্থলী পৰিদৰ্শন কৰি সবিশেষ পৰ্যালোচনা কৰে। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰীগৰাকীয়ে সেইদিনা নামৰূপত ১২ হাজাৰ কোটি টকা ব্যয়সাপেক্ষ **এমোনিয়া ইউৰীয়া প্ৰকল্প**ৰ আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পই ৰাজ্যখনৰ ঔদ্যোগিক আৰু সামাজিক ক্ষেত্ৰত যুগান্তকাৰী পদক্ষেপৰ সূচনা কৰি সাৰ উৎপাদনৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতাৰে অৰ্থনীতিত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাব বুলি আশা কৰা হৈছে।

0000000

গুৱাহাটী মহানগৰীৰ খাৰঘুলিৰ জয়পুৰৰ ব্ৰহ্মপুত্ৰত কালি বিয়লি সন্ধানহীন হোৱা ৫ জন লোকৰ আজিও শুংসূত্ৰ লাভ কৰিব পৰা হোৱা নাই। উদ্ধাৰকাৰী দলে লোককেইজনৰ সন্ধানত কালি বিয়লিৰে পৰা নাৰেৰে অভিযান অব্যাহত ৰাখিছে যদিও সফল হ'ব পৰা নাই। উল্লেখযোগ্য যে জয়পুৰত থকা ভক্তি কুটিৰ

নামৰ এটা আধ্যাত্মিক প্ৰতিষ্ঠানলৈ যোৱা ৯ জন লোক ব্ৰহ্মপুত্ৰলৈ নামি যোৱাৰ পাছত ইয়াৰে ৪ জনে কথমপি প্ৰাণ ৰক্ষা কৰি উঠি আহে যদিও ৫ জন লোক ব্ৰহ্মপুত্ৰত উটি যোৱা বুলি সন্দেহ কৰা হৈছে।

০০০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ অংশ হিচাপে কামৰূপ জিলাত ই ভি এম আৰু ভিভিপেটৰ প্ৰথম পৰ্যায়ৰ পৰীক্ষণ আজিৰে পৰা অনুষ্ঠিত হৈছে। আজি পুৱা ৯ বজাত আৰম্ভ হোৱা এই পৰীক্ষণ সন্ধিয়া ৭ বজালৈ কামৰূপ জিলাৰ সংহত জিলা আয়ুক্ত কাৰ্যালয় চৌহদত অৱস্থিত ই ভি এম গুডামঘৰত চলিব। অহা ২৩ ডিচেম্বৰলৈ এই পৰীক্ষণ কৰা হ'ব। এই পৰীক্ষণ কাৰ্য কামৰূপ জিলাৰ নিৰ্বাচনী বিষয়াৰ অধীনৰ অধীনত সম্পন্ন হ'ব।

দৰং নিৰ্বাচনী জিলাৰ তিনিটা বিধানসভা সমষ্টিৰ বাবেও আজি ইভিএম আৰু ভিভিপেটৰ প্ৰথম পৰ্যায়ৰ পৰীক্ষণ আৰম্ভ হৈছে। অহা ২৫ ডিচেম্বৰলৈকে চলিবলগীয়া এই পৰীক্ষণ তদাৰকৰ বাবে ১২ জনীয়া এটা অভিযন্তাৰ দল ইতিমধ্যে মঙলদৈত উপস্থিত হৈছে।

০০০০০০০

বৰপেটা গ্ৰন্থমেলা উদযাপন সমিতিৰ উদ্যোগত আয়োজিত চতুৰ্থ ৰাষ্ট্ৰীয় গ্ৰন্থ আৰু বিজ্ঞান মেলাৰ যোৱানিশা সামৰণি পৰে। বৰপেটা পৌৰসভা খেল পথাৰত আঠ দিনীয়াকৈ আয়োজিত এই মেলাৰ সামৰণি অনুষ্ঠানত কালি ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য আৰু মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে অংশগ্ৰহণ কৰে। ৰাজ্যপাল শ্ৰী আচাৰ্যই নিজৰ ভাষণত গ্ৰন্থৰ মহত্ব অন্তঃকৰণেৰে উপলব্ধি কৰিবলৈ ৰাইজৰ প্ৰতি আহ্বান জনায়। তেওঁ বৰপেটাৰ সাহিত্য, সংস্কৃতি আৰু ঐতিহ্যকো সোঁৱৰণ কৰে। মন্ত্ৰী শ্ৰী দাসে ৰাষ্ট্ৰীয় গ্ৰন্থমেলা সফল হৈছে বুলি উল্লেখ কৰি কয়, যে বিক্ৰেতা প্ৰতিষ্ঠানসমূহে ইয়াৰ পৰা সুফল লাভ কৰাৰ লগতে জিলাখনত গ্ৰন্থ অধ্যয়নৰ পৰিৱেশ সৃষ্টি হৈছে।

০০০০০০০

দৰং জিলাৰ মঙলদৈৰ গাধোৱাপাৰা ঘাটপাৰত আৰক্ষীয়ে মাদকদ্ৰব্যসহ এজন লোকক গ্ৰেপ্তাৰ কৰিছে। আৰক্ষীয়ে লোকজনৰ পৰা কফচিৰাপৰ ১২০ টা বটল, ১০ টা মাদকদ্ৰব্য ভৰ্তি টেমা, ৩০০ টা নিচাযুক্ত টেবলেট আৰু এখন মটৰ চাইকেল জব্দ কৰে। ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত ৰখা হৈছে।

০০০০০০০

**সমাপ্ত**